Acc.No: [illegible]= 16

Dakshin Kamrup Girls' College Library
Estd. 1988
★ Mirza ★

# পলাশবাৰীত ৰীমা দাস, ডালিম দাসক সম্বৰ্ধনা

**প্ৰতিদিন সেৱা, মিৰ্জা, ২ জানুৱাৰী ঃ** পলাশবাৰীত আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন বোলছবি পৰিচালিকা ৰীমা দাস আৰু মুনীন বৰকটকী বঁটাপ্ৰাপ্ত ডালিম দাসক আজি দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয় আৰু পলাশবাৰী সংস্কৃতি বিকাশ ভৱনৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° গজেন্দ্ৰ অধিকাৰীৰ সঞ্চালনাত অনুষ্ঠিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ৰীমা দাস, ডালিম দাসৰ লগতে শিশু শিল্পী মানস চৌধুৰীকো ফুলাম গামোচা, গ্ৰন্থৰ টোপোলা, অভিনন্দন পত্ৰৰে সম্বৰ্ধনা জনায়। নাট্যকৰ্মী মইনা গোস্বামীয়ে উক্ত অনুষ্ঠানত অংশগ্ৰহণ কৰি পৰিচালিকা ৰীমা দাসক ইমানবোৰ মাধ্যম থকাৰ পিচতো চিনেমা কিয় বাছি ল'লে, আপুনি কাৰ বাবে চিনেমা কৰে, কাৰ পৰা অনুপ্ৰেৰণা পালে, সন্মুখত কোন কোন দৰ্শক থাকে আদি বিভিন্ন প্ৰশ্ন কৰে। উক্ত সম্বৰ্ধনা সভাত ডালিম দাসে দক্ষিণ কামৰূপৰ থলুৱা ভাষাক স্থান দি যি গল্প লিখিছে, তাক অইন ভাষালৈ অনুবাদ কৰা হ'বনে বুলি মহাবিদ্যালয়খনৰ অধ্যাপিকা ড° জাহ্নৱী দেৱী আৰু ড° মালবিকা ৰয়ে সোধা প্ৰশ্নত সেই ব্যৱস্থা তেওঁ গ্ৰহণ কৰিব বুলি ব্যক্ত কৰে। এই অনুষ্ঠানত পলাশবাৰী সংস্কৃতি বিকাশ ভৱনৰ সভাপতি অনিল চন্দ্ৰ কলিতা, সম্পাদক যতীন্দ্ৰ নাথ কলিতা, পলাশবাৰী পৌৰসভাৰ পৌৰপতি ৰাতুল শৰ্মা, অঞ্চলটোৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।

ASOMIYA PRATIDIN = 03, January, 2018. P. = 15

অসমীয়া প্ৰতিদিন = ০৩ জানুৱাৰী - ২০১৮ . পৃ: = ১৫

Acc.No: 17

Dakshin Kamrup Girls' College Library
Estd. 1988
★ Mirza ★

# ৰীমা দাস আৰু ডালিম দাসৰ সৈতে অন্তৰংগ আলাপ

আমাৰ খবৰ, পলাশবাৰী, ৫ জানুৱাৰী ঃ অসমৰ অন্যতম আগশাৰীৰ শিক্ষানুষ্ঠান দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয় আৰু ঐতিহ্যমণ্ডিত পলাশবাৰী সংস্কৃতি বিকাশ ভৱনৰ যৌথ উদ্যোগত এক গাম্ভীৰ্যপূৰ্ণ অন্তৰংগ আলাপ আৰু সম্বৰ্ধনা অনুষ্ঠান এটি ১ জানুৱাৰীত সংস্কৃতি বিকাশ ভৱন অনুষ্ঠিত হয়। আন্তৰ্জাতিক খ্যাতিসম্পন্ন চলচ্চিত্ৰ পৰিচালক, অভিনেত্ৰী, ছয়গাঁৱৰ জীয়ৰী ৰীমা দাস আৰু বিশিষ্ট গল্পকাৰ, লেখক মুনীন বৰকটকী বঁটাপ্ৰাপক ডালিম দাসক লৈ অনুষ্ঠিত কৰা অন্তৰংগ আলাপ অনুষ্ঠানত মহাবিদ্যালয়খনৰ অধ্যাপক-অধ্যাপিকা, ছাত্ৰ-ছাত্ৰী, কৰ্মচাৰী, স্থানীয় বিদ্যালয়ৰ শিক্ষক, ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতী উপস্থিত থাকে। অনুষ্ঠানৰ আঁত ধৰি ড° গজেন্দ্ৰ অধিকাৰীয়ে কয় যে দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ে কৰি অহা সামাজিক কামৰ ব্যতিক্ৰমী হিচাপে এই অন্তৰংগ আলাপ অনুষ্ঠানটি বিকাশ ভৱনৰ সৈতে যুটীয়াভাৱে অনুষ্ঠিত কৰা হৈছে বিশেষভাৱে ছাত্ৰ-ছাত্ৰী আৰু যুৱ প্ৰজন্মক বৌদ্ধিক আৰু শৈক্ষিক চিন্তাৰ খোৰাক দিয়াৰ মানসেৰে। বিভিন্নজনৰ প্ৰশ্নোত্তৰত ৰীমা দাসে তেওঁ পৰিচালনা কৰা তথা নাট্যৰূপ দিয়া বোলছবি 'ভিলেজ ৰকষ্টাৰ'ৰ পটভূমিৰ বিষয়ে গাঁৱৰ পৰা আন্তৰ্জাতিক পৰ্যায়লৈ কিদৰে অবিৰত যাত্ৰা আৰম্ভ হ'ল আৰু সমাদৃত হ'ল ইত্যাদি বিষয়ত সদৰী কৰে। তেওঁ বোলছবিখন চিনেমাগৃহলৈ গৈ চোৱাৰ বাবে সকলোকে আহ্বান জনায়। গল্পকাৰ (শিকাৰহাটী) ডালিম দাসে তেওঁ লাভ কৰা বঁটাই তেওঁক স্বীকৃতি প্ৰদান কৰিলেও তেওঁ তেওঁৰ গল্পৰাজি বা লেখা উচ্চ পৰ্যায়লৈ যাবলৈ বহুখিনি বাকী আছে বুলি মত ব্যক্ত কৰে। দুয়োগৰাকী বিশিষ্ট ব্যক্তিৰ লগতে অনুষ্ঠানত আমন্ত্ৰণক্ৰমে উপস্থিত থকা উদীয়মান গায়ক মানস কমল চৌধুৰীক সুকীয়া সুকীয়াকৈ মহাবিদ্যালয় আৰু বিকাশ ভৱনৰ ফালৰ পৰা ক্ৰমে অধ্যাপিকা ড° জাহ্নবী দেৱী, অনিল চন্দ্ৰ কলিতা আৰু যতীন্দ্ৰ নাথ কলিতাই গামোচা, প্ৰশংসা পত্ৰ, ডায়েৰী আৰু কিতাপৰ টোপোলাৰে সম্বৰ্ধনা জনায়। সামৰণিত ড° অধিকাৰীয়ে আটাইকেইগৰাকীৰে উজ্জ্বল ভৱিষ্যৎ কামনা কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীক উপকৃত কৰিব পৰাকৈ ভৱিষ্যতেও এনে অনুষ্ঠানৰ পোষকতা কৰি সকলোৰে সহযোগিতা কামনা কৰে। ডালিম দাসৰ লেখা বিভিন্ন ভাষালৈ অনূদিত কৰাৰ বাবে অংশগ্ৰহণকাৰীসকলে পৰামৰ্শ আগবঢ়ায়। শলাগৰ শৰাই আগবঢ়ায় সাধাৰণ সম্পাদকগৰাকীয়ে।

ASOMIYA KHABAR = 06 January - 2018. P. = 8

অসমীয়া খবৰ = ০৬ জানুৱাৰী - ২০১৮. পৃ: = ৮

Acc.No: 18

Dakshin Kamrup Girls' College Library
Estd. 1988
★ Mirza ★



দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ মহাবিদ্যালয় সপ্তাহ উপলক্ষে উলিওৱা সাংস্কৃতিক শোভাযাত্ৰা

ASOMIYA KHABAR = 04 February - 2018 . P = 7

অসমীয়া খবৰ = ০৪ ফেব্ৰুৱাৰী - ২০১৮ . পৃ: ৭

Acc.No: 19

Dakshin Kamrup Girls' College Library
Estd. 1988
★ Mirza ★



মিৰ্জাস্থিত দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ শিক্ষাৰ্থীয়ে
বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ উপলক্ষে উলিওৱা সাংস্কৃতিক শোভাযাত্ৰাৰ এটা মুহূৰ্ত, শনিবাৰৰ ছবি

AMAR ASOM = 05 Febowary - 2018. P.=9

আমাৰ অসম = ০৫ ফেব্ৰুৱাৰী - ২০১৮. পৃ: ৯

Acc.No: 20

Dakshin Kamrup Girls' College Library
Estd. 1988
★ Mirza ★

# দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ত নাৰী দিৱস

মহানগৰৰ বিশেষ প্ৰতিবেদক, ৫ মাৰ্চ ঃ দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ত ৮ মাৰ্চত আন্তৰ্জাতিক নাৰী দিৱসৰ আয়োজন কৰা হৈছে। দিৱসত বিশিষ্ট অতিথি হিচাপে বৰনগৰ মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক ড° স্বৰ্ণলতা দাস আৰু সাহিত্যিক জাহ্নৱী খাউণ্ড উপস্থিত থাকিব।

AMAR ASOM = 6 march - 2018 P. = 6

আমাৰ অসম = ৬ মাৰ্চ - ২০১৮ পৃ: ৬

Acc.No: 21

Dakshin Kamrup Girls College Library
Estd. 1988
★ Mirza ★



# পলাশবাৰীৰ ডি কে ছোৱালী মহাবিদ্যালয় এচিটি কমাৰ্চৰ দুই শিক্ষাৰ্থীৰ সৰ্বোচ্চ নম্বৰ

আমাৰ খবৰ, পলাশবাৰী; ৩১ মে' ঃ আজি ঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত পলাশবাৰীৰ স্ত্ৰী শিক্ষাৰ প্ৰাণকেন্দ্ৰস্বৰূপ দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়, মিৰ্জা আৰু বিজয়নগৰস্থিত অমৃত চন্দ্ৰ ঠাকুৰীয়া বাণিজ্য মহাবিদ্যালয়ৰ দুজন ছাত্ৰ-ছাত্ৰীয়ে গাৰ্হস্থ্য বিজ্ঞান আৰু বীমা বিষয়ত ৰাজ্যৰ ভিতৰত সৰ্বোচ্চ নম্বৰ লাভ কৰি মহাবিদ্যালয়খনৰ লগতে অঞ্চলটোলৈ সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ কলা শাখাৰ ছাত্ৰী শিখাৰাণী ঠাকুৰীয়াই গাৰ্হস্থ্য বিজ্ঞান বিষয়ত ৰাজ্যৰ ভিতৰত সৰ্বোচ্চ ৯৪ নম্বৰ লাভ কৰিবলৈ সক্ষম হৈছে। কৃতী ছাত্ৰীগৰাকীয়ে অসমীয়া বিষয়ত লেটাৰ নম্বৰসহ প্ৰথম বিভাগত উত্তীৰ্ণ হয়। উক্ত মহাবিদ্যালয়ৰে ছাত্ৰী বৰ্ণালী গোস্বামীয়ে পাঁচটা বিষয় ক্ৰমে ইংৰাজী, অসমীয়া, ৰাজনীতি বিজ্ঞান, অৰ্থনীতি আৰু দৰ্শন বিষয়ত লেটাৰ নম্বৰসহ ৮৭.২ শতাংশ নম্বৰ লাভ কৰাৰ লগতে কংকনা মজুমদাৰে চাৰিটা ক্ৰমে অসমীয়া, ৰাজনীতি বিজ্ঞান, শিক্ষা আৰু দৰ্শন বিষয়ত লেটাৰ নম্বৰসহ ৮২.৪ শতাংশ নম্বৰেৰে ষ্টাৰমাৰ্ক লাভ কৰি মহাবিদ্যালয়খনলৈ সুনাম কঢ়িয়াই আনে। আনহাতে বিজয়নগৰস্থিত অমৃত চন্দ্ৰ ঠাকুৰীয়া বাণিজ্য মহাবিদ্যালয়ৰ ছাত্ৰ জগদীশ ঠাকুৰীয়াই বীমা বিষয়ত ৰাজ্যৰ ভিতৰত সৰ্বোচ্চ ৮৮ নম্বৰ লাভ কৰাৰ লগতে মেধাৱী ছাত্ৰজনে অসমীয়া, বাণিজ্য অধ্যয়ন বিষয়তো লেটাৰ নম্বৰসহ ৭১ শতাংশ নম্বৰেৰে প্ৰথম বিভাগত উত্তীৰ্ণ হৈ শিক্ষানুষ্ঠানখনলৈ গৌৰৱ কঢ়িয়াই আনে।



শিখাৰাণী ঠাকুৰীয়া



জগদীশ ঠাকুৰীয়া

দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ কলা বিভাগৰ ৩৮, বিজ্ঞান বিভাগৰ ২৫গৰাকী শিক্ষাৰ্থীৰ ষ্টাৰ নম্বৰ ঃ ফলাফল অনুসৰি দক্ষিণ কামৰূপ উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰস্বৰূপ দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ ফলাফলে উৎসাহিত কৰিছে মহাবিদ্যালয়খনৰ শিক্ষকবৃন্দৰ লগতে ছাত্ৰ-ছাত্ৰীসকলক। ঘোষিত ফলাফল অনুসৰি মহাবিদ্যালয়খনৰ কলা শাখাৰ ৩৮গৰাকী আৰু বিজ্ঞান শাখাৰ ২৫গৰাকী ছাত্ৰ-ছাত্ৰীয়ে ষ্টাৰ নম্বৰ লাভ কৰি মহাবিদ্যালয়খনলৈ সুনাম কঢ়িয়াই আনে। উল্লেখ্য যে এইবেলি মহাবিদ্যালয়খনৰ কলা শাখাৰ ৫৭৯গৰাকী শিক্ষাৰ্থীৰ ৯৫.৭ শতাংশ উত্তীৰ্ণৰে ১৩৮ গৰাকী প্ৰথম বিভাগ, ২৩৬গৰাকী দ্বিতীয় বিভাগ আৰু ১৮০ গৰাকী তৃতীয় বিভাগত উত্তীৰ্ণ হয়। সেইদৰে বিজ্ঞান শাখাত ৩৩৫গৰাকী শিক্ষাৰ্থীৰ ৯৪ শতাংশ উত্তীৰ্ণৰ ১৮৫গৰাকী প্ৰথম বিভাগ, ১২৪গৰাকী দ্বিতীয় বিভাগ আৰু ৬গৰাকীয়ে তৃতীয় বিভাগত লাভ কৰে।

ASOMIYA KHABAR = 1st JUNE - 2018 . P = 7

অসমীয়া খবৰ = ১ জুন - ২০১৮ . পৃ = ৭

Acc.No: 22

Dakshin Kamrup Girls' College Library
Estd. 1988
Mirza

# কৃতী ছাত্ৰীক সম্বৰ্দ্ধনা

নিজা বাতৰি দিওঁতা

বৰিহাট, ১৫ জুন ঃ দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়, মির্জাত অনুষ্ঠিত এক অনুষ্ঠানত কালি নির্মল অঞ্জলি ট্ৰাষ্টৰ তৰফৰপৰা এইবেলি উচ্চতৰ মাধ্যমিকৰ কলা শাখাত গাৰ্হস্থ্য বিজ্ঞানত অসমৰ ভিতৰত সৰ্বশ্ৰেষ্ঠ নম্বৰ লাভ কৰা এই মহাবিদ্যালয়খনৰ ছাত্ৰী শিখাৰাণী ঠাকুৰীয়াক সম্বৰ্দ্ধনা জনোৱা হয়। ২০১৬ চনত গঠন কৰা এই ষ্ট্ৰাষ্টৰ হৈ তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাচাৰ্য ড° নিৰ্মল কুমাৰ চৌধুৰী আৰু তেওঁৰ কন্যা তথা টাটা কনছালটেন্সী নৰ্থ-ইষ্টৰ মুৰব্বী প্ৰতিভা চৌধুৰী, গুৱাহাটী আই আই টিৰ অধ্যাপক যতীন্দ্ৰ কুমাৰ ডেকাই অংশগ্ৰহণ কৰি ছাত্ৰীগৰাকীক পাঁচ হাজাৰ টকা আৰু এখন প্ৰশস্তি-পত্ৰৰে সম্বৰ্দ্ধনা জনায়। অনুষ্ঠানত আদৰণী ভাষণ দিয়ে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° গজেন্দ্ৰ অধিকাৰীয়ে। এই অনুষ্ঠানত মহাবিদ্যালয়খনৰ প্ৰৱক্তা ড° জাহ্নৱী দেৱীৰ উপন্যাস উন্মোচন কৰে ড° নিৰ্মল কুমাৰ চৌধুৰীয়ে।

DAINIK ASAM = 16 June - 2018 . P=8

দৈনিক অসম = ১৬ জুন - ২০১৮ . পৃ: = ৮

Acc.No: 23

Dakshin Kamrup Girls College Library
Estd. 1988
★ Mirza ★

# ডঃ জাহ্নৱী দেৱীক পুষ্পা দেৱী জালান সোঁৱৰণী সাহিত্য বঁটা প্ৰদান



মহানগৰ বাতৰি সেৱা

গুৱাহাটী, ৩ নৱেম্বৰ ঃ মাহেকীয়া আলোচনী 'বাৰ্তা পখিলী'ৰ উদ্যোগত পুষ্পাদেৱী জালান সোঁৱৰণী সাহিত্য বঁটা প্ৰদান অনুষ্ঠান আজি গুৱাহাটীৰ মাছখোৱা সাংস্কৃতিক প্ৰকল্পত অনুষ্ঠিত হয়। অনুষ্ঠানত পুষ্পাদেৱী জালান সোঁৱৰণী সাহিত্য বঁটা দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপিকা ডঃ জাহ্নৱী দেৱীক প্ৰদান কৰা হয়। বঁটা হিচাপে ডঃ জাহ্নৱী দেৱীলৈ কিতাপৰ টোপোলা, স্মাৰক, মানপত্ৰ আৰু নগদ ২১,০০০ টকা আগবঢ়োৱা হয়। ডঃ জাহ্নৱী দেৱীক 'উপন্যাস অধ্যয়ন' শীৰ্ষক গ্ৰন্থৰ বাবে এই বঁটা প্ৰদান কৰা হয়। অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ডঃ অমৰজ্যোতি চৌধুৰীয়ে কয় যে অসমীয়া আলোচনীৰ উত্থান-পতনৰ মাজত 'বাৰ্তা-পখিলী'ৰ দৰে অসমীয়া আলোচনী এখনে সুদীৰ্ঘ ২৩ বছৰ অতিক্ৰম কৰাৰ আঁৰত আলোচনীখনৰ সম্পাদক ব্ৰজেন্দ্ৰ নাথ ডেকাৰ গভীৰ আন্তৰিকতা নিহিত আছে। তেওঁ কয় যে গোপাল জালানে তেওঁৰ অসাধাৰণ মাতৃ পুষ্পাদেৱীৰ নামত এই বঁটা প্ৰৱৰ্তন কৰি তেওঁৰ মাতৃক বেছি অসাধাৰণ কৰি তুলিছে। ডঃ চৌধুৰীয়ে কয়, 'ধলাৰ ঘটনাই আমাক বৰ আঘাত দিছে। এনে সময়ত মানুহে মানুহৰ বাবে কাম কৰাৰ প্ৰয়োজন আহি পৰিছে।' অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি বিশিষ্ট সাংবাদিক অজিত কুমাৰ ভূঞাই কয়, 'সম্প্ৰতি অসমীয়া আলোচনী বিভিন্ন প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে।' তেওঁৰ মতে, গ্ৰন্থই মানুহৰ চিন্তা-চেতনাক জাগ্ৰত কৰে। কাম-কাজক সক্ৰিয় কৰি ৰাখে। সেয়ে গ্ৰন্থৰ মূল্য অপৰিসীম। অনুষ্ঠানত অংশ লৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ডঃ মুকুল চক্ৰৱৰ্তীয়েও ভাষণ দিয়ে। 'বাৰ্তাপখিলী'ৰ সম্পাদক ব্ৰজেন্দ্ৰ নাথ ডেকাই আদৰণী ভাষণ দিয়া অনুষ্ঠানত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপিকা ডঃ মালিনী গোস্বামী আৰু ডঃ নমিতা ডেকা আৰু জ্যেষ্ঠ সাংবাদিক অচ্যুত পাটোৱাৰী আদি উপস্থিত আছিল। অনুষ্ঠানৰ আঁত ধৰে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ অনুষ্ঠান কাৰ্যবাহী অসীম কাজীয়ে। অনুষ্ঠানৰ শেষত বঁটা প্ৰাপক ডঃ জাহ্নৱী দেৱীয়ে তেওঁৰ অনুভৱ আৰু কৰ্মৰাজিৰ বিষয়ে চমুকৈ কয়।

DAINIK ASAM = 04 - November - 2018 . P=7

দৈনিক অসম = ০৪ নৱেম্বৰ - ২০১৮ . পৃ: ৭

Acc.No: 24

Dakshin Kamrup Girls' College Library
Estd. 1988
★ Mirza ★

দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়

# পুতলা নাট প্ৰদৰ্শন

**প্ৰতিদিন বিশেষ সংবাদ, ছয়গাঁও, ৬ ডিচেম্বৰ ঃ** দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ গণসংযোগ আৰু সাংবাদিকতা বিভাগে ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ কাৰ্যসূচীৰ লগত সংগতি ৰাখি অলপতে এখন পুতলা নাট প্ৰদৰ্শন কৰে। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° গজেন্দ্ৰ অধিকাৰী আৰু মিৰ্জা নাট্যগোষ্ঠীয়ে নাটখন প্ৰদৰ্শন কৰাৰ ক্ষেত্ৰত বিশেষভাৱে সহযোগিতা আগবঢ়ায়। অনুষ্ঠানত পলাশবাৰীৰ পৌৰপতি ৰাতুল শৰ্মা, মিৰ্জা নাট্যগোষ্ঠীৰ সভাপতি ডাঃ অৰ্বাণ কুমাৰ দাস, জ্যেষ্ঠ সাংবাদিক তথা লোক-সংস্কৃতিৰ সাধক সুকুমাৰ মেধিকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

ASOMIYA PRATIDIN = 07 - December - 2018 . P=6

অসমীয়া প্ৰতিদিন = ০৭ ডিচেম্বৰ - ২০১৮ . পৃঃ = ৬